দিনাংক-২৩ এপ্রিল ২০১৪

## অভিযানসূচী- ২৩ এপ্ৰিল ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

### মিচেছ বাড্ৰাৰ দুখ

শ্ৰীমতী বাড্ৰায়ে দাবী কৰে যে তেওঁ ৰাজনীতিত নাই । তেওঁ নিজৰ মা আৰু ককায়েকক তেওঁলোকৰ সমষ্ঠিত প্ৰচাৰ কৰি সহায় কৰে । যোৱাকালি তেওঁ মন্তব্য দিছে যে তেওঁৰ স্বামী মি: ৰবাৰ্ট বাড্ৰাক লৈ কৰা ব্যক্তিগত আক্ৰমণে বহুত দুখ দিছে । তেওঁ কৰা বিনিয়োগক লৈ বিতৰ্কত আছে । কোনো ধৰণৰ বিনিয়োগ নকৰি তেওঁ অত্যাধিক লাভ পাইছে । ইয়াত নিশ্চয় কিবা আছে যি আমি দেখা পোৱা নাই ।

ব্যক্তিগত আক্ৰমণে লোকক দুখ দিয়া আৰু এনে কৰিব নালাগে । তেওঁ কোৱা কথা সচাঁ । মই আশা কৰিছো যে তেওঁৰ ৰাজনৈতিক বন্ধুবৰ্গইও এইয়া ভাবিব লাগে । যদি তেওঁলোকে এইয়া ভাবিলে হয় তেন্তে তেওঁৰ ককায়েকে শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ বিয়াৰ প্ৰসংগ ৰাজহুৱা বিষয় নকৰিলেহেতেন । আহমেদাবাদত এগৰাকী মহিলাক সুৰক্ষা দিয়াৰ বিষয়টো কংগ্ৰেছ দলে মহিলাৰ চোৰাংচোৱাগিৰি কৰা বুলি নকলে হয় । যি কাণ্ডক লৈ উচ্চতম ন্যায়লয়ে বিচাৰ কৰিছিল যে তথ্য নথকাৰ ভিত্তিত শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে এফ আই আৰ পঞ্জীকৃত হ'ব নোৱাৰে, কিন্ত কংগ্ৰেছ দলে বিগত দহ বছৰ ধৰি ভুল আৰু তৈয়াৰ কৰা তথ্যৰ ভিত্তিত তেওঁৰ বিৰুদ্ধে অভিযান চলাই আহি আছে । তেওঁৰ মাতৃয়ে যদি জীয়েকৰ কথা শুনিলেহেতেঁন তেন্তে শ্ৰীযুত নৰেন্দ্ৰ মোদীক তেওঁ মৌত কা চৌদাগৰ আখ্যা নিদিলেহেতেঁন ।

শ্ৰীমতী বাড্ৰাই দিয়া মন্তব্য যে ব্যক্তিগত আক্ৰমণে দুখ দিয়ে, আৰু এনে কাৰ্য্য বন্ধ হ'ব লাগে বুলি কোৱা কথাক মই সম্পূৰ্ণ ৰূপত একমত কিন্ত ভাল কাম সদায় নিজৰ ঘৰৰ পৰাই আৰম্ভ কৰিব লাগে ।

### আম আদমী পাৰ্টিৰ ধৰ্ম নিৰপেক্ষতা

আম আদমী পাৰ্টিৰ বাবে দিল্লী বিধানসভাৰ নিৰ্বাচন যথেষ্ট উৎসাহজনক আছিল, লোকসভা নিৰ্বাচনে তেওঁলোকক হতাশ কৰিব । দিল্লীত আম আদমী পাৰ্টিৰ চৰকাৰ দুৰ্ভাগ্যজনক আছিল । তেওঁলোকৰ ৰাজনৈতিক দু:সাহসিকতা, জনপ্ৰিয় আদৰ্শ আৰু ভোটবহুলতা পৰিলক্ষিত হৈছে । এইয়া তেওঁলোকৰ সুবিধাবাদী প্ৰবৃত্তিক দেখুৱাইছে । তেওঁলোকৰ এগৰাকী মহিলা প্ৰতিনিধিয়ে নিজৰ সমৰ্থকক কোৱা দেখা গৈছে যে তেওঁৰ সম্প্ৰদায়ে ধৰ্মনিৰপেক্ষতা বাদ দি যথেষ্ট সাম্প্ৰদায়িক হ'ব লাগে । এনে মন্তব্য ৰাজনৈতিক

দল অথবা তাৰ প্ৰতিনিধিয়ে গুপনভাৱে কৰিব নালাগে । এনে মন্তব্যাই তেওঁলোকৰ মনৰ স্থিতি প্ৰকাশ কৰে। তেওঁলোকে বাখ্যা কৰিছে যে আম আদমী পাৰ্টিৰ আদৰ্শ এজন ব্যক্তিৰ ওপৰতহে আছে । দুৰ্ভাগ্যপূৰ্ণভাৱে এনে ধৰ্মনিৰপেক্ষতাৰ মুখা খোল খালে ।

**হাম্‌টি দাম্‌টি**

হাম্‌টি দাম্‌টিয়ে লুইছ কেৰ'লৰ কিতাপ 'থ্ৰো ডা লুকিং গ্লাছ' ৰ জড়িয়তে কয় যে, যেতিয়া মই এটা শব্দ ব্যৱহাৰ কৰো, সেই শব্দই মই যি বুজাব বিচাৰো সেইয়াই বুজায়, ইয়াতকৈ অলপ বেছিও নহয়, কমও নহয় । এই সন্দৰ্ভত এলিচ (ইন ৱান্দাৰলেণ্ড) এ সুধে - আপুনি এটা শব্দৰে বহুত কেইটা অৰ্থ বুজাব পাৰে নেকি ? হাম্‌টি ডাম্‌টিৰ প্ৰতিক্ৰিয়াই প্ৰকাশ কৰে যে - প্ৰশ্ন হ'ব লাগে, কোনটো শব্দ সঠিক হ'ব লাগে, বছ ।

যেতিয়া মই তেওঁক অভিযোগ কৰিছিলো যে পঞ্জাৱ চহৰত সম্পত্তিৰ ওপৰত কৰৰ অনোমোদন পত্ৰত কাৰ চহী আছিল, যি কেন্দ্ৰীয় চৰকাৰলৈ আগবঢ়োৱা হৈছিল, তেতিয়াৰ পৰা কেপ্তেইন চাহেবে মোক 'তৃতীয় শ্ৰেণীৰ মিছলীয়া' বুলি কোৱাটো পছন্দ কৰে । এতিয়া তেওঁ ব্যাখা কৰি কৈছে যে সেই চহী চিফ চেক্ৰেটেৰীয়ে নিজাববীয়াকৈ কৰিছে । মই এখন ৭ ডিচেম্বৰ ২০০৬ তাৰিখৰ লিখিত বহী প্ৰস্তুত কৰিছো য'ত কেপ্তেইন অমৰিন্দ্ৰৰ সিঙৰ চহী আছে আৰু তাত উল্লেখ কৰা আছে যে চহৰৰ উন্নয়ণৰ বাবে কেন্দ্ৰীয় সাহাৰ্য্য লাভ কৰাৰ চৰ্ত্তত পঞ্জাৱত সম্পত্তি কৰ প্ৰযোজ্য কৰা হ'ব । কিন্তু যেতিয়া এই অনুমোদনত তেওঁ চহী কৰিছিল, ইয়াৰ অৰ্থ আছিল, তেওঁ তাকেই বিচাৰিছিল । তেওঁ যেতিয়া কয় যে জগদীশ টাইটেলৰ ১৯৮৪ চনৰ কাণ্ডত জড়িত নাছিল, তেওঁ ক'ব বিচাৰিছিল যে জগদীশ টাইটেলাৰক ক্লীনচীট দিয়া নাই । কেৱল কাল্পনিক কথাতহে হাম্‌টি ডামটিৰ স্থান আছে ।